# Phone call between Prime Minister Shri Narendra Modi and H.E. Mr. Nicolae-Ionel Ciucă, Prime Minister of Romania

February 28, 2022

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ৰোমানিয়াৰ প্ৰধানমন্ত্ৰী মিঃ নিকোলাই - আয়োলেন চুকাৰ মাজত টেলিফোনত কথা হয়

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰোমানিয়াৰ প্ৰধানমন্ত্ৰী মিঃ নিকোলাই – আয়োলেন চুকাৰ সৈতে টেলিফোনত কথা পাতে। ইউক্ৰেইনত আৱদ্ধ হৈ থকা ভাৰতীয়সকলক দেশলৈ ওভতাই অনাৰ বাবে যোৱা কেইবাদিনো ধৰি ৰোমানিয়াই যেনেদৰে সহায় কৰিছে, প্ৰধানমন্ত্ৰীয়ে তাৰ বাবে মিঃ চুকাক ধন্যবাদ জনাইছে। বিশেষকৈ ভিছা নোহোৱাকৈ ভাৰতীয় নাগৰিকসকলক ৰোমানিয়াত প্ৰৱেশ আৰু সেই দেশৰ পৰা ভাৰতৰ বিমানত উঠাৰ সুযোগ কৰি দিয়াত প্ৰধানমন্ত্ৰীয়ে ৰোমানিয়া কৰ্তৃপক্ষৰ প্ৰশংসা কৰিছে।

শ্ৰী মোদীয়ে এই প্ৰসঙ্গত মিঃ চুকাক জনায় যে তেওঁৰ বিশেষ দূত হিচাপে অসামৰিক বিমান চলাচল মন্ত্ৰী শ্ৰী জ্যোতিৰাদিত্য এম সিন্ধিয়াক পঠোৱা হৈছে। অহা কেইবাদিনো ধৰি ভাৰতীয় নাগৰিকসকলক দেশলৈ ওভতাই অনাৰ উদ্যোগ তত্বাৱধানৰ বাবে শ্ৰী সিন্ধিয়াই ৰোমানিয়াৰ স্থানীয় কৰ্তৃপক্ষৰ সৈতে একেলগে কাম কৰিব।

ইউক্ৰেইনত আক্ৰমণৰ ঘটনাৰ ফলত উদ্ভুত মানৱ সভ্যতাৰ সঙ্কটময় পৰিস্থিতিত প্ৰধানমন্ত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰিছে। সংঘৰ্ষ বন্ধ কৰি আলোচনা আৰম্ভ কৰাৰ বাবে ভাৰতৰ অৱস্থানৰ কথা তেওঁ আকৌ উল্লেখ কৰে। শ্ৰী মোদীয়ে জোৰ দি কয় যে প্ৰতিখন দেশে এখনে আনখনৰ সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতাক সন্মান জনোৱা উচিত।

নতুন দিল্লী

ফেব্ৰুৱাৰী 28, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.